**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 30-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES
**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

২। ৰায়পুৰত অনুষ্ঠিত আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহাপৰিদৰ্শক সন্মিলনৰ আজি সামৰণি পৰিব।

৩। চৰকাৰে কাইলৈ আৰম্ভ হ'বলগীয়া সংসদৰ শীতকালীন অধিবেশনৰ পূৰ্বে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে।

৪। ডিট্ৱা নামৰ ঘূৰ্ণী বতাহজাকে বিগত ছয় ঘণ্টাত প্ৰতিঘণ্টাত পাঁচ কিলোমিটাৰ বেগেৰে উত্তৰৰ দিশে গতি কৰিছে।

*আৰু*

৫। চৈয়দ মোদী আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগতাত আজি ভাৰত দুটা শিতানৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৮ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

ৰায়পুৰত অনুষ্ঠিত আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহাপৰিদৰ্শক সন্মিলনৰ আজি সামৰণি পৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সন্মিলনৰ অধ্যক্ষতা কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যম এক্স যোগে সন্মিলনৰ প্ৰথম দিনা দেশৰ সুৰক্ষা ব্যৱস্থাৰ বিভিন্ন দিশ সম্পৰ্কে বিশদভাৱে আলোচনা হোৱা বুলি প্ৰকাশ কৰিছে। এই সন্মিলন ৰাষ্ট্ৰীয় সুৰক্ষাৰ উত্তম পন্থা আৰু উদ্ভাৱন ভগাই লোৱাৰ গুৰুত্বপূৰ্ণ মঞ্চ বুলি তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে আজি বিশিষ্ট সেৱাৰ বাবে আগবঢ়োৱা ৰাষ্ট্ৰপতিৰ আৰক্ষী পদকসমূহ প্ৰদান কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল, কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী, বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ আৰক্ষী সঞ্চালক প্ৰধান আৰু কেন্দ্ৰীয় আৰক্ষী সংস্থাসমূহৰ মুৰব্বীসকলে এই সন্মিলনত ভাগ লৈছিল। সন্মিলনত নতুন যুগৰ প্ৰত্যাহ্বানৰ বিৰুদ্ধে নাগৰিকসকলক সুৰক্ষা প্ৰদানৰ পৰৱৰ্তী প্ৰজন্মৰ পৰিকাঠামো বিকশাই তোলাত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। আলোচনাত বাওপন্থী উগ্ৰবাদ, সন্ত্ৰাসবাদ প্ৰতিহতকৰণ, দুৰ্যোগ ব্যৱস্থাপনা, মহিলাৰ সুৰক্ষা

আৰু শান্তি-শৃংখলা ৰক্ষাৰ কামত ফৰেনচিক বিজ্ঞান তথা কৃত্রিম বুদ্ধিমত্তাৰ প্রয়োগকে ধৰি ৰাষ্ট্রীয় সুৰক্ষাৰ সৈতে জড়িত ঘাই ঘাই বিষয়সমূহে স্থান লাভ কৰিছে।

০০০০০

চৰকাৰে কাইলৈ আৰম্ভ হ'বলগীয়া সংসদৰ শীতকালীন অধিবেশনৰ পূৰ্বে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত সংসদীয় পৰিক্রমা মন্ত্রী কিৰেণ ৰিজিজুৱে সংসদৰ উভয় সদনত ৰাজনৈতিক দলসমূহৰ নেতাসকলক সাক্ষাৎ কৰিব। বৈঠকত চৰকাৰে শীতকালীন অধিবেশনৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন হোৱাতো সুনিশ্চিত কৰাৰ বাবে সকলো ৰাজনৈতিক দলৰ সহায় সহযোগিতা বিচাৰিব। ১৯ ডিচেম্বৰ পৰ্যন্ত চলিবলগীয়া এই অধিবেশনৰ সময়ছোৱাত আলোচনা আৰু বিবেচনাৰ বাবে কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক সদনত উত্থাপন কৰা হ'ব।

০০০০০

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আজি কুৰুক্ষেত্ৰলৈ যাব। এই ভ্ৰমণকালত শ্ৰী ৰাধাকৃষ্ণণে কুৰুক্ষেত্ৰৰ ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ কুৰি সংখ্যক সমাবৰ্তন সমাৰোহত মুখ্য অতিথি হিচাপে ভাগ ল'ব। তেওঁ লগতে আন্তঃৰাষ্ট্ৰীয় গীতা মহোৎসৱৰ সৈতে সংগতি ৰাখি আয়োজন কৰা অখিল ভাৰতীয় দেৱস্থানম সন্মিলনত অংশ গ্ৰহণ কৰিব।

০০০০০

থাইলেণ্ডৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ছিহাচক ফুৰাঙকেটকিউ চাৰি দিনীয়া ভাৰত ভ্ৰমণ সূচীলৈ দিল্লীত উপস্থিত হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে যোৱা নিশা তেওঁক আদৰণি জনাই কয়, যে এই ভ্ৰমণৰ ফলত দুয়োখন দেশৰ মাজৰ কৌশলগত অংশীদাৰিত্ব আৰু স্থায়ী সম্পৰ্ক শক্তিশালী হ'ব বুলি আশা কৰা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনাইছে যে ফুৰাঙকেটকিউৱে আজি দিল্লীত বিভিন্ন আনুষ্ঠানিক কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ কাইলৈ হায়দৰাবাদ হাউচত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

০০০০০

দিল্লী পৌৰ নিগমৰ ১২ টা ৱাৰ্ডৰ উপ-নিৰ্বাচন আজি অনুষ্ঠিত হ'ব। ভোট গ্ৰহণ পুৱা চাৰে সাত বজাত আৰম্ভ হৈ সন্ধিয়া চাৰে পাঁচ বজাত অন্ত পৰিবল। উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৱাৰ্ড কেইটা হৈছে- মুণ্ডকা, ছালিমাৰ বাগ-বি, অশোক বিহাৰ, চান্দনি চ'ক, চান্দনি মহল, দ্বাৰকা-বি, ধিচাও কালান, নাৰায়াণা, সংগম বিহাৰ-এ, দক্ষিণপুৰী, গ্ৰেটাৰ কৈলাশ আৰু বিনোদ নগৰ। ২৬ গৰাকী মহিলা আৰু ২৫ জন পুৰুষৰ সৈতে মুঠ ৫১ জন প্ৰাৰ্থীয়ে উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। তিনি ডিচেম্বৰত ভোট গণনা কৰা হ'ব।

০০০০০

অসামৰিক বিমান পৰিবহন সঞ্চালকালয়ে জনাইছে যে দেশৰ মুঠ ৩৩৮ খন বিমানৰ ভিতৰত ২৭০ খনৰ ছফ্‌টৱেৰ উন্নীতকৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। ইয়াৰে ভিতৰত ইণ্ডিগ', এয়াৰ ইণ্ডিয়া আৰু এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছৰ বিমান আছে। বাকী ৬৮ খন বিমানৰো ছফ্‌টৱেৰ উন্নীতকৰণৰ প্ৰক্ৰিয়া শীঘ্ৰে সম্পূৰ্ণ কৰা হ'ব বুলি সঞ্চালকালয়ে জানিবলৈ দিছে। সঞ্চালকালয়ৰ দ্বাৰা বাধ্যতামূলক সালসলনি সম্পূৰ্ণ নোহোৱালৈকে এয়াৰবাছ এ থ্ৰী টুৱেণ্টি শ্ৰেণীৰ বিমানৰ উৰণ তাৎক্ষণিকভাৱে বন্ধ কৰাৰ নিৰ্দেশ জাৰি কৰাৰ পাছত ছফ্‌টৱেৰ উন্নীতকৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

০০০০০

দক্ষিণ-পশ্চিম বংগোপ সাগৰ আৰু ইয়াৰ গাতে লাগি থকা উত্তৰ শ্ৰীলংকা আৰু তামিলনাডুৰ উপকূল ভাগত সৃষ্টি হোৱা ডিট্‌ৱা নামৰ ঘূৰ্ণী বতাহজাকে বিগত ছয় ঘণ্টাত প্ৰতিঘণ্টাত পাঁচ কিলোমিটাৰ বেগেৰে উত্তৰৰ দিশে গতি কৰিছে আৰু বতাহজাক সম্প্ৰতি পুডুচেৰীৰ পৰা প্ৰায় ১৬০ কিলোমিটাৰ দক্ষিণ-দক্ষিণপূবত আৰু চেন্নাইৰ পৰা ২৫০ কিলোমিটাৰ দক্ষিণত কেন্দ্ৰীভূত হৈ আছে। বতাহজাক পৰৱৰ্তী ২৪ ঘণ্টাত উত্তৰৰ দিশে গতি কৰাৰ সম্ভাৱনা আছে। উত্তৰৰ দিশে গতি কৰাৰ সময়ত ঘূৰ্ণী বতাহজাক  আজি পুৱা আৰু বিয়লিৰ ভাগলৈ তামিলনাডু আৰু পুডুচেৰীৰ উপকূল ভাগৰ পৰা ৫০ আৰু ২৫ কিলোমিটাৰ নিলগৰ দক্ষিণ-পশ্চিম বংগোপসাগৰৰ জলৰাশিত কেন্দ্ৰীতভূত হোৱাৰ সম্ভাৱনা আছে।

আঞ্চলিক বতৰ বিজ্ঞান বিভাগৰ শেহতীয়া তথ্য অনুসৰি ঘূৰ্ণী বতাহজাকৰ ফলত হ'ব পৰা সম্ভাব্য ক্ষয়ক্ষতি ৰোধ কৰাৰ উদ্দেশ্যে কুড্ডালোত আৰু নাগপট্টিনমত ৰেড এলাৰ্ট জাৰি কৰা হৈছে। চেন্নাই আৰু কাঞ্চিপুৰমকে ধৰি ৰাজ্যখনৰ ১২ খন উপকূলীয় জিলাত মজলীয়া বৰষুণ হোৱাৰ আৰু বাকী জিলাসমূহত পাতলীয়া বৰষুণ হোৱাৰ আগলী বতৰা দিয়া হৈছে। ইপিনে আজি অন্ধ্ৰপ্ৰদেশৰ উপকূলভাগ, য়ানম আৰু ৰায়লছিমাৰ অধিকাংশ ঠাইত পাতলীয়াৰ পৰা মজলীয়া আৰু ঠাই বিশেষে ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বিষয়াসকলে উপকূলৰক্ষী বাহিনী আৰু সংশ্লিষ্ট ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ  কৰ্তৃপক্ষসমূহৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰি আছে। কেন্দ্ৰীয় গৃহ সচিবে কালি তামিলনাডু, পুডুচেৰী, তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশৰ মুখ্য সচিবসকলৰ সৈতে ঘূৰ্ণী বতাহৰ ফলত হ'ব পৰা ক্ষয়ক্ষতি ৰোধ কৰাৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলায় আৰু তেওঁলোকক সতৰ্ক হৈ থাকিবলৈ আৰু সমন্বয় ৰক্ষা কৰি চলিবলৈ নিৰ্দেশ দিয়ে। উপকূলৰক্ষী বাহিনীয়ে তামিলনাডুৰ উপকূলভাগত তিনিখন জাহাজ আৰু এখন বিমান সাজু কৰি ৰাখিছে আৰু সৰু জাহাজসমূহক বন্দৰলৈ উভতি আহিবলৈ পৰামৰ্শ আগবঢ়াইছে। যিকোনো জৰুৰীকালীন অৱস্থাৰ সন্মুখীন হ'ব পৰাকৈ দুৰ্যোগ সঁহাৰি বাহিনীৰ ১৪ টা দল সাজু কৰি ৰখা হৈছে। ইয়াৰ উপৰি পুনে আৰু বডোডৰাৰ পৰা ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ ১০ টা অতিৰিক্ত দল বিমানেৰে অনা হৈছে।

০০০০০

সংসদৰ শীতকালীন অধিৱেশনৰ প্ৰাক ক্ষণত আজি নিশা চাৰে ৯ বজাৰ পৰা ১০ বজালৈ আকশবাণীৰ বাতৰি সেৱা বিভাগে ইংৰাজীত "Issues Before Parliament" আৰু হিন্দীত "Sansad Ke Samaksh Mudde". শিৰোনামেৰে বিশেষ আলোচনা প্ৰচাৰ কৰিব। ইংৰাজী ভাষাৰ আলোচনা আকাশবাণী ৰেইন বো চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি প্ৰচাৰ কৰা হ'ব। একেদৰে হিন্দী ভাষাৰ আলোচনা আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেৰছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব। শ্ৰোতাসকলে এই আলোচনাৰ বাবে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈ প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০০

উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত অনুষ্ঠিত চৈয়দ মোদী আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগতাত আজি ভাৰতৰ দুটা শিতানৰ ফাইনেলত অৱতীৰ্ণ হ'ব। পুৰুষৰ ছিংগলছৰ ফাইনেলত কিদাম্বি শ্ৰীকান্ত হংকঙৰ জেছন গুনাৱনৰ সন্মুখীন হ'ব। খেলখন বিয়লি তিনি বাজি ২০ মিনিটত আৰম্ভ হ'ব। শ্ৰীকান্তে যোৱা নিশা চেমিফাইনেলত ভাৰতৰে আন

এগৰাকী খেলুৱৈ মিঠুন মঞ্জুনাথক ২-১ ফলাফলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ইপিনে মহিলাৰ ডাবলছৰ ফাইনেলত শীৰ্ষ বাছনিপ্ৰাপ্ত ত্ৰিষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো জাপানৰ কাহো আছাৱা আৰু মেই তনাবেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব।

ooooo

ভাৰতে যোৱা নিশা চেন্নাইত অনুষ্ঠিত পুৰুষৰ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাৰ পুল-বিৰ এখন খেলত ওমানক ১৭-০ গ'লত  পৰাস্ত কৰে। ভাৰতৰ হৈ দিলৰাজ সিঙে ৪ টা, মনমীত সিং আৰু  অৰ্শদীপ সিঙে তিনিটাকৈ গ'ল দিয়ে।

ইয়াৰ পূৰ্বে ভাৰতে পুল পৰ্যায়ৰ নিজৰ প্ৰথমখন খেলত চিলিক ৭-০ গ'লত পৰাভূত কৰিছিল। দুখন খেলত ২৪ টা গ'ল দি ভাৰত সম্প্ৰতি পুল-বিৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে আৰু দলটো চেমিফাইনেলত প্ৰৱেশ কৰাৰ সম্ভাৱনা প্ৰবল হৈ উঠিছে। কাইলৈ ছুইজাৰলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া খেলখনত ড্ৰ খেলিব পাৰিলেই ভাৰতে চেমিফাইনেলত স্থান নিশ্চিত কৰিবলৈ সমৰ্থ হ'ব।

ooooo

সমাপ্ত